অধ্যায় ৯ ঃ অসমৰ পুনৰ্গঠন

অধ্যায় গাঁথনি

৯.১ উদ্দেশ্য
৯.২ পৰিচয়
৯.৩ পটভূমি
৯.৪ নাগালেণ্ডৰ গঠন
৯.৫ উত্তৰ-পূব অঞ্চলৰ পুনৰ্গঠন আইন, 1971ûNorth-Eastern Areas (Reorganisation) Act, 1971
৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ
৯.৭ অধিক জানিবলৈ
৯.৮ অগ্রগতিৰ খতিয়ান
৯.৯ আৰ্হি প্রশ্ন

৯.১ উদ্দেশ্য

এই অধ্যায়টি অধ্যয়ন কৰি আপুনি—

- অসমৰ পুনৰ্গঠনৰ পটভূমিৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- নাগালেণ্ডৰ গঠন সম্পর্কে আলোচনা কৰিব পাৰিব।
- নগা পাহাৰত সাংবিধানিক বিকাশৰ বিষয়ে ব্যাখ্যা কৰিব পাৰিব।
- উত্তৰ-পূব অঞ্চলৰ পুনৰ্গঠন আইন, 1971 ৰ ব্যৱস্থাসমূহ আৰু প্রভাৱৰ বিষয়ে আলোচনা কৰিব পাৰিব।

৯.২ পৰিচয়

ভাৰতীয় উপ মহাদেশৰ উত্তৰ পূৱক ইয়াৰ সাংস্কৃতিক আৰু নৃগোষ্ঠীয় বৈশিষ্ট্যৰ বাবে আৰু ভাষিক পুনৰ গঠন আৰু নৃগোষ্ঠীয় দাবী আৱৰি এই অঞ্চলক গ্রাস কৰা সমস্যা সমূহৰ বাবে বেছি ভালকৈ জনা যায়। এই অঞ্চলটো ভাষা সংস্কৃতি ইতিহাস আৰু নৃগোষ্ঠীয় কাৰণে এক সংগ্রামৰ মাজত অৱস্থান কৰিছে। পৰিণতি স্বৰূপে, অঞ্চলটোৱে পৃথক ৰাজনৈতিক অস্তিত্ব ৰক্ষাৰ বাবে, ভাষিক ধাৰাৰ সৈতে পৃথক ৰাজ্যৰ অন্তর্ভুক্তিৰে চৰকাৰৰ হেঁচা প্রয়োগ কৰিবলৈ সঘনাই যথেষ্ট সংখ্যক নৃগোষ্ঠীয় আন্দোলন প্রত্যক্ষ কৰিছে। এই ক্ষেত্রত প্রথম পদক্ষেপ হিচাপে উত্তৰ-পূৱ অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ গ্রহণ কৰা হৈছিল যিয়ে অসমক সাতখন ভিন্ন ৰাজ্যত ভাগ হোৱাৰ বাট দেখুৱাইছিল।

৯.৩ পটভূমি

ভাৰতৰ উত্তৰ পূৱ অঞ্চলে দেশৰ যিকোনো অংশৰ অঞ্চলৰ সৈতে মিল থকাৰ অবিহনে, হয় আংশিকভাৱে অথবা গোটেই অঞ্চলটোৱে ইয়াৰ বিদেশী ৰাষ্ট্রৰ সৈতে ভৌগোলিক প্রতিবেশী, সামাজিক আৰু ৰাজনৈতিক

ইতিহাস আৰু জনসংখ্যা গাঁথনিৰ বৈচিত্র্যতা ভিন্নতাৰ ক্ষেত্রত এক নিজস্ব অতুলনীয় ছবি দাঙি ধৰে। ইষ্ট ইণ্ডিয়া কোম্পানীয়ে এই অঞ্চলৰ বহুতো অংশ ঠাই নিজৰ প্রত্যক্ষ নিয়ন্ত্রনলৈ নিব নোৱাৰাৰ ইও এটা কাৰণ হ'ব পাৰে। যদিও পৰৱর্তী পর্য্যায়ত অনা হৈছিল, মণিপুৰ আৰু ত্রিপুৰা প্রত্যক্ষ বৃটিছ শাসনৰ পৰা পৃথক আছিল যিহেতু সেই দুখন ৰজাৰ দ্বাৰা শাসিত ক্ষুদ্র ৰাজ্য আছিল। যি কি নহওঁক, অসমীয়া ভাষি লোক, যি ব্রহ্মপুত্র উপত্যকাৰ প্রধান মূল জনসংখ্যা গোট গঠিত আছিল, গোটেই অঞ্চলটোৰে কেন্দ্র স্থল দখল কৰি আছিল। প্রাক-স্বাধীনতাৰ সময়ত অসমত বাঙালী ভাষি জাপি দিয়াৰ বিৰুদ্ধে অসমীয়া ভাষি মানুহে এক অবিৰত বাধা প্রদান কৰিছিল আৰু বেংগলী প্রভাৱৰ বিৰুদ্ধাচৰণ কৰিবলৈ অকৃটিম অকপট চেষ্টা চলাইছিল। ই আছিল এটা কাৰক যি অসমীয়াৰ জাতীয় চেতনাৰ উত্থান আৰু ক্রমান্বয়ে আত্মীকৰণ তত্ত্বৰ উত্থান আৰু শেষত জনজাতীয় অঞ্চলৰ অন্তভুর্ক্তিৰে বৃহত্তৰ অসম গঠনৰ দিশে আগুৱাই নিছিল। বাস্তৱত, জনজাতীয় অঞ্চলসমূহে প্রকৃততে উজনি আৰু মধ্য অসম অঞ্চলৰ অসমীয়া মানুহৰ সৈতে পর্যায়ক্রমে একত্রীকৰণ প্রক্রিয়াত চামিল হৈছিল। কিন্তু এই আত্মীকৰণ প্রক্রিয়া থমকি ৰৈছিল, বিশেষকৈ স্বাধীনতাৰ পাছত যেতিয়া বেছিভাগ পাহাৰীয়া জনজাতীয় লোকে তেওঁলোকৰ স্বকীয় বৈশিষ্টতাপূর্ণ ভাষিক আৰু সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত তেওঁলোক পৃথক জনজাতীয় পৰিচিতি প্রতিপন্ন কৰিবলৈ আৰম্ভ কৰিছিল। এনেকৈ কিছুমান পার্বত্য জনজাতি আৰু অনা অসমীয়া ভাষিক গোটৰ মাজত ৰাজনৈতিক আৰু সাংস্কৃতিক ক্ষেত্রত অসমীয়াৰ সম্ভাব্য প্রভাৱৰ শংকা সৃষ্টি হৈছিল। ইয়াৰ ফলত উত্তৰ পূর্বাঞ্চলীয় অঞ্চলক বহুবাৰ পুনৰ সংগঠন কৰিবলগীয়া হৈছিল। ১৯৭২ চনৰ সময়ত গোটেই উত্তৰ-পূৱ অঞ্চলক অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্রিপুৰা নামৰ পাঁচখন ৰাজ্যত ভাগ কৰা হৈছিল আৰু মিজোৰাম আৰু অৰুণাচল প্রদেশ নামৰ দুখন কেন্দ্রীয় শাসিত অঞ্চলত ভাগ কৰা হৈছিল। ১৯৮৭ চনত এই দুখনেও পূর্ণ পর্য্যায়ৰ ৰাজ্যৰ মর্য্যদা পাইছিল।

W অগ্রগতি নিৰীক্ষণ

প্রশ্ন ১ ঃ ত্রিপুৰা প্রত্যক্ষ বৃটিছ শাসনৰ পৰা পৃথক আছিল। (শুদ্ধ/অশুদ্ধ)

.....

প্রশ্ন ২ ঃ কোন চনত মিজোৰাম আৰু অৰুণাচল প্রদেশ পূর্ণ পর্য্যায়ৰ ৰাজ্যৰ মর্য্যদা পাইছিল?

.....

৯.৪ নাগালেণ্ডৰ গঠন

- **নগা ৰাজনৈতিক পৰিচয়ৰ সংগ্রাম ঃ** ভাৰতৰ যুক্তৰাষ্ট্রীয় পুনর্গঠনে ভাষা ভিত্তিক পৰিচয়ৰ এক সমস্যাৰ সৃষ্টি কৰিছিল। পার্বত্য অঞ্চল সমূহৰ বিচিন্নতাবাদী প্রৱণতাৰ নাগালেণ্ডে এই যুগান্তকাৰী উদাহৰণ দাঙি ধৰিছিল। ১৯৪৭ চনত স্বাধীনতাৰ পাছত নাগা সকলৰ কাৰণে নাগালেণ্ডৰ প্রশ্নটো কিন্তু চাঞ্চল্যকৰ হৈ পৰিছিল। অঞ্চলটোত ৰাজনৈতিক পৰিস্থিতি উগ্রপন্থী দৃষ্টিকোণৰ সৈতে সংলগ্ন হৈছিল। যিকোনো ৰাজনৈতিক পৰিৱর্তনৰ বিৰুদ্ধে নগা সকলে কৰা প্রতিৰোধ সম্ভৱত ১৯২৮ চনলৈ ঘূৰি যাব পাৰি, যেতিয়া নগা ক্লাৱ(যি নগালকলৰ ৰাজনৈতিক মঞ্চ আছিল)ৰ পৰা নগা নেতাসকলৰ এক সৰু সভাই তেওঁলোকৰ পৃথক সাংস্কৃতিক পৰিচয়ৰ চাইমন আয়োগৰ ভ্রমণকাৰী সদস্যলৈ বার্তা প্রেৰণ কৰিছিল আৰু আবেদন কৰিছিল যে চাইমন আয়োগে পৰিকল্পনা কৰা যিকোনো ৰাজনৈতিক সংস্কাৰৰ পৰা নগা সকলক বাহিৰত ৰাখিব লাগে। ১৯২৩ চনত ল'থা জনজাতিয় পৰিষদ গঠনৰ সৈতে নগা সকলৰ মাজত ৰাজনৈতিক সচেতনতা আৰম্ভ হৈছিল। ১৯২৮ চনত আও নগা সকলে একেধৰণৰ পৰিষদ গঠন কৰিছিল আৰু অন্যান্য নগা সকলেও ১৯৪০ চনৰ

ভিতৰত জনজাতিয় পৰিষদ গঠন কৰিছিল।

ভাৰতত বৃটিছ শাসনৰ শেষৰফালে, নগা পাহাৰৰ উপায়ুক্ত চি. আৰ. প'চেইয়ে (C.R. Pawsey) নগাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যেৰে ১৯৪৫ চনত নগা পাহাৰ পার্বত্য জিলা জনজাতী পৰিষদ (Naga Hills District Tribal Council) গঠন কৰিছিল, যি পাছত ১৯৪৬ চনত নগা জাতীয় পৰিষদ (Naga National Council) লৈ সলনি পৰিৱর্তন হৈছিল। পাছলৈ ই নগাসকলৰ এক শক্তিশালী ৰাজনৈতিক সংগঠন হিচাপে উত্থান হৈছিল। ইয়াৰ পৰা আশা কৰা হৈছিল যে নগা জনজাতিসকলৰ কল্যাণ আৰু সামজিক ইচ্ছা আকাঙ্খ্যাক গঢ় দিয়া, অসম ৰাজ্যৰ ভিতৰত স্বায়ত্ত শাসন লাভ কৰা আৰু নিজস্ব চৰকাৰৰ শাসনৰ কাৰণে জনসাধাৰণক প্রশিক্ষণ দিয়া।

এইটো ধাৰণা কৰা হয় যে সৰু ৰাজ্যই ডাঙৰ ৰাজ্যতকৈ বেছি ভাল প্রগতি বিকাশ লাভ কৰে, সেয়ে অঞ্চলটোৰ বিকাশৰ কাৰণে গোটেই অঞ্চলটোৰ পুনসংগঠন কৰাটো প্রয়োজনীয় আছিল।

- **নগা পাহাৰত সাংবিধানিক বিকাশ আৰু নাগালেণ্ডৰ গঠন ঃ**

  বৃটিছ সকলে অসম অধিকাৰ কৰাৰ আগতে আহোম ৰজা সকলে নগাসকলক তেওঁলোকৰ প্রজা (Subject)ৰ দৃষ্টিৰে চাইছিল, মণিপুৰৰ ৰজাইও নগা পাহাৰৰ কিছু অংশৰ ওপৰত নিয়ন্ত্রণ সাব্যস্ত কৰিছিল। ১৯ শ শতিকাৰ প্রথম ভাগত অসম অধিগ্রহণৰ লগে লগে গোটেই নগা পাহাৰ বৃটিছ ভাৰতৰ অংশ হৈ পৰিছিল । বংগৰ লে. গৱর্ণৰ (Lt. Governor)ৰ প্রশাসনৰ অধীনত ১৮৬৬ চনত চামাগুটিং (Samaguting) ত মুখ্য কার্য্যালয়ৰ সৈতে নগা পাহাৰীয়া জিলা গঠন হৈছিল যাক ১৮৭৪ চনত অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল। ১৮৭৬ চনত পাহাৰৰ মধ্যম স্থানত অৱস্থিত ৰখা (Wokha) লৈ জিলাৰ মুখ্য কার্য্যালয় স্থানান্তৰ কৰা হৈছিল আৰু দুবছৰ পাছত ইয়াক কহিমালৈ স্থান সলনি কৰা হৈছিল আৰু ৰখা মহকুমাৰ সদৰ হিচাপে আছিল। ১৮৮৯ চনত মহকুমাৰ সদৰ কার্য্যালয় মোককচুঙলৈ স্থান সলনি কৰা হৈছিল। এনেকৈ বৃটিছ প্রশাসনৰ অধীনত অসমৰ নগা পাহাৰীয়া জিলাৰ কহিমা(সদৰ) আৰু মোককচাঙ দুটা মহকুমা আছিল। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ সময়ত এই ব্যৱস্থাপনা কেন্দ্রীয় চৰকাৰে উত্তৰাধিকাৰ স্বৰূপে লাভ কৰিছিল। ১৯৫০ চনৰ জানুৱাৰীৰ পৰা কার্যকৰী হোৱাকৈ ভাৰতীয় সংবিধানে নগা পাহাৰীয়া জিলাৰ প্রশাসনিক ব্যৱস্থাৰ পৰিৱর্তন আনিছিল। সংবিধানৰ ষষ্ঠ অনুসূচীৰ (অংশ ক) অধীনত নগা পাহাৰীয়া জিলাক স্বায়ত্ব শাসিত জিলা হিচাপে গণ্য কৰা হৈছিল আৰু ইয়াৰ এখন স্বায়ত্ব শাসিত জিলা পৰিষদ থাকিব, যি বাস্তৱত ৰূপায়িত নহ'লে যিহেতু নগাসকল ষষ্ঠ অনুসূচীত প্রতি অসন্তুষ্ট হৈ পৰিছিল আৰু তেওঁলোকে, সেয়েহে, পৰিষদৰ নির্বাচন বর্জন কৰিছিল। অৱশেষত জিলাখনৰ প্রশাসন,ষষ্ঠ অনুসূচীৰ পৰা ১৯ ৰ সামগ্রিক চর্তৰ পাহাৰীয়া জিলাৰ সংবিধানৰ পৰিণতিত ফলস্বৰূপে নগা পাহাৰৰ অৱশিষ্ট পাহাৰীয়া অঞ্চল যি নগা পাহাৰীয়া জিলাৰ বাহ্যিক সীমান্ত আৰু ভাৰত আৰু বার্মা (ম্যানমাৰ) ৰ আন্তজার্তিক সীমান্তৰ মাজত আছিল, ১৯৩৫ চনত "ভাৰত চৰকাৰ আইন" বলবৎ হোৱাৰ আগলৈকে ১৯৩৭ চনলৈ শাসন বিহীন (Unadministered) অঞ্চল হিচাপে আছিল। ১৯৩৫ চনৰ আইনৰ চর্ত অনুযায়ী ইয়াক নগা জনজাতীয় অঞ্চল নাম দিয়া হয় আৰু বৃটিছ সম্রাটক প্রতিনিধিত্ব কৰা ভাৰতৰ গৱর্ণৰ জেনেৰেলৰ হৈ অসমৰ গৱর্ণৰ আৰু নগা পাহাৰীয়া জিলাৰ উপযুক্তৰ প্রত্যক্ষ নিয়ন্ত্রণৰ অধীনলৈ অনা হয়, স্বাধীনতাৰ পাছত ভাৰত চৰকাৰে নগা জনজাতীয় অঞ্চলৰ প্রশাসনৰ উদ্দেশেৰে প্রয়োজনীয় আইন নিয়ম আৰু আদেশ পত্র আগবঢ়াইছিল।

১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক ষষ্ঠ অনুসূচীৰ (অংশ-খ) অধীনলৈ নিয়া হয় আৰু ৰাষ্ট্রপতিৰ প্রতিনিধি স্বৰূপে অসমৰ ৰাজ্যপালে শাসন চলাব। ১৯৫৪ চনৰ উত্তৰ-পূৰ সীমান্ত অঞ্চলৰ (প্রশাসন) আইনে উত্তৰ পূৰ সীমান্ত এজেন্সী (North East Frontier Agency or

NEFA)ৰ সৃষ্টি কৰিছিল, যিয়ে নগা জনজাতীয় অঞ্চলক অন্তর্ভুক্ত কৰিছিল আৰু যাক টুৱেনচাঙ সীমান্ত মণ্ডল (Division) হিচাপে পুনৰ নামকৰণ কৰা হৈছিল।

১৯৪৭ চনত ভাৰত স্বাধীন হোৱাৰ সময়ত, নগা পাহাৰৰ ৰাজনৈতিক বিকাশ দুটা বিপৰীত দিশত গতি কৰিছিল। এটা আছিল নগা জাতীয় পৰিষদৰ সামৰিক গোট (Military Wing)ৰ নিয়ন্ত্রণত যি সম্পূর্ণ স্বাধীনতা চূড়ান্ত দাবী কৰিছিল। অন্যহাতেদি তেওঁলোকৰ নৰমপন্থী শাখাটোৱে সাংবিধানিক উপায়েৰে এক ৰূপায়ন সাধ্য সমাধান বিচাৰিছিল। নগা জাতীয় পৰিষদ আৰু অসমৰ ৰাজ্যপাল আকবৰ হায়দৰীৰ মাজত কহিমাত ১৯৪৭ চনৰ জুনত চুক্তিবদ্ধ হোৱা ন দফীয়া বুজাবুজি এক সংঘাত পূর্ণ পৰিচালনা ব্যৱস্থা হৈ পৰিছিল। এই বুজাবুজিয়ে নগাসকলৰ ভাৰতৰ লগত ১০ বছৰৰ বাবে সহযোগিতাৰ নির্ধাৰণ কৰিছিল, ইয়াৰ পাছত তেওঁলোকে নিজৰ ভাগ্য নিজে থিৰাং কৰিব। চুক্তিখনে নগাসকলে তেওঁলোকৰ মুক্তভাৱে প্রকাশিত ইচ্ছাৰ মতে বিকাশ উন্নতি লভাৰ অধিকাৰক স্বীকৃতি দিছিল আৰু ভূমি, সীমান্ত ইত্যাদি বিষয় সমূহৰ সমাধানৰ বাবে চেষ্টা কৰিব।

১৯৫০ চনত ভাৰতৰ সংবিধান বলবৎ কৰাৰ পাছত হায়দৰী বুজাবুজিৰ চর্তবোৰ ষষ্ঠ অনুসূচীত সংযোজন কৰা হৈছিল কিন্তু নগা জাতীয় পৰিষদে ইয়াৰ অৱমাননা কৰিছিল আৰু এক গণ আন্দোলনৰ কার্যসূচী আৰু মুক্ত বিদ্রোহত প্রবৃত্ত হৈছিল। ১৯৫৪ চনত টুৱেনচাঙত সশস্ত্র বিদ্রোহৰ সূত্রপাত হৈছিল অতি সোনকালে আন দুখন জিলা কহিমা আৰু মোকচাঙক গ্রাস কৰি পেলাইছিল। প্রথমে আৰক্ষী, পাছত সামৰিক বাহিনীক বিদ্রোহ দমন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল। ১৯৫৭ চনত নগা নেতৃত্ব আৰু কেন্দ্রীয় চৰকাৰৰ মাজত এক চুক্তিত উপনীত হৈছিল আৰু অসম ৰাজ্যত নগা পাহাৰ নামৰ এক নতুন প্রশাসনিক গোটগঠন হৈছিল যাক নগা পাহাৰ-টুৱেনচাঙ অঞ্চল - Naga Hills-Tuensang Area or NHTA (পূর্বৰ নগা পাহাৰ জিলা আৰু North East Frontier Agency-NEFA ৰ টুৱেনচাঙ সীমান্ত অঞ্চলেৰে গঠিত) হিচাপে জনা গৈছিল। NHTA কেন্দ্রীয় চৰকাৰে প্রত্যক্ষ ভাৱে শাসন কৰা এক কেন্দ্রীয় শাসিত অঞ্চল হৈ পৰিছিল কিন্তু এক বৃহৎ মাত্রাত স্বায়ত্বশাসনেৰে।

যি কি নহঁওক, এইটো নগাসকলৰ কাৰণে গ্রহণযোগ্য নাছিল আৰু নগাসকল আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘাত অব্যাহত আছিল । পাছত প্রধানমন্ত্রী নেহেৰু আৰু নগা জনসাধাৰণৰ অভিবর্তন (Naga People's Convention) ৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল আৰু ১৯৬০ চনৰ জুলাইত এক ১৬ দফীয়া চুক্তিত উপনীত হৈছিল যাৰ দ্বাৰা ভাৰত চৰকাৰে ভাৰত যুক্তৰাজ্যৰ ভিতৰত নাগালেণ্ডক এখন পূর্ণ পর্য্যায়ৰ ৰাজ্য হিচাপে স্বীকৃতি প্রদান কৰিছিল। চুক্তিখনৰ প্রথম চর্ত্তটোৰ মতে এইটো ঘোষণা কৰা হৈছিল যে "১৯৫৭ চনৰ নগা পাহাৰ টুৱেনচাঙ অঞ্চল আইনৰ অধীনত এতিয়ালৈকে জনাজাত নগা পাহাৰ টুৱেনচাঙ অঞ্চলৰ ভূখণ্ডই, ভাৰত যুক্তৰাজ্যৰ ভিতৰত এখন ৰাজ্য গঠন কৰিব আৰু এতিয়াৰ পৰা আগলৈ নাগালেণ্ড হিচাপে জনা যাব।" সেইমতে নাগালেণ্ড ৰাজ্যক ১৯৬৩ চনৰ ১ ডিচেম্বৰত ক'হিমাত এক আড়ম্বৰপূর্ণ অনুষ্ঠানত ৰাষ্ট্রপতিয়ে উদ্ধোধন কৰিছিল।

ৰ অগ্রগতি নিৰীক্ষণ

প্রশ্ন ৩ঃ ১৮৭৪ চনত ক'ত মূখ্য কার্য্যালয়ৰ সৈতে নাগা পাহাৰীয়া জিলা গঠন হৈছিল যাক অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল ?

.....

প্রশ্ন ৪ঃ ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক কোন অনুসূচীৰ অধীনলৈ নিয়া হয় ?

.....

৯.৫ উত্তৰ পূৰ্ব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১/North-Eastern Areas (Reorganisation) Act, 1971

ব্যৱস্থা সমূহ আৰু প্ৰভাৱ (Provisions and Impact)

বৰ্তি থকা অসম ৰাজ্য আৰু ইয়াৰ লগত জড়িত বিষয়সমূহৰ পুনসংগঠন কৰি ১৯৭১ চনৰ ৩০ ডিচেম্বৰত উত্তৰ পূৰ্ব অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ North-Eastern Areas (Reorganisation) Act, 1971 গৃহীত কৰা হৈছিল যি মণিপুৰ আৰু ত্ৰিপুৰা ৰাজ্য গঠনৰ আইনগত ব্যৱস্থা কৰিছিল আৰু মেঘালয় ৰাজ্য আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চলৰ আইনগত ব্যৱস্থা কৰিছিল।

উত্তৰ পূৰ অঞ্চলৰ পুনৰ্গঠন আইন ১৯৭১ ৰ কিছুমান গুৰুত্বপূৰ্ণ ব্যৱস্থাসমূহ আমি চাওঁ আহক।

১৯৭১ চনৰ উত্তৰ পূৰ্ব অঞ্চলৰ পুনৰ্গঠন আইনৰ মতে ঃ-

- মণিপুৰ কেন্দ্ৰীয় শাসিত অঞ্চলত বৰ্তি থকা দুটা সংসদীয় সমষ্টিক মণিপুৰ ৰাজ্যৰ দুটা সংসদীয় সমষ্টি হিচাপে বিবেচনা কৰা হ'ব আৰু ত্ৰিপুৰা কেন্দ্ৰীয় শাসিত অঞ্চলত বৰ্তি থকা দুটা সংসদীয় সমষ্টিক ত্ৰিপুৰা ৰাজ্যৰ দুটা সংসদীয় সমষ্টি হিচাপে বিবেচনা কৰা হ'ব।
- মেঘালয় ৰাজ্যৰ দুটা সংসদীয় সমষ্টি থাকিব যাক ছিলং সংসদীয় সমষ্টি আৰু তুৰা সংসদীয় সমষ্টি বুলি আখ্যা দিয়া হ'ব।
- সমগ্ৰ মিজোৰাম কেন্দ্ৰীয় শাসিত অঞ্চলে এটা সংসদীয় সমষ্টি গঠন কৰিব যাক মিজোৰাম সংসদীয় সমষ্টি বুলি কোৱা হ'ব।
- নৰ্থ ইষ্ট ফ্ৰণ্টিয়াৰ এজেন্সীৰ (NEFA) ৰ কাৰণে হাউচ অৱ পিপুলৰ আবণ্টিত আসনৰ পূৰ্ণ কৰিবলৈ মনোনীত কৰা বৰ্তমান সদস্যক এতিয়া অৰুণাচল প্ৰদেশ কেন্দ্ৰীয় শাসিত অঞ্চলৰ হাউচ অৱ পিপুলৰ আবণ্টিত আসন পূৰ্ণ কৰিবলৈ মনোনীত সদস্য হিচাপে বিবেচনা কৰা হ'ব।
- অসম আৰু নাগালেণ্ড উচ্চ ন্যায়ালয়ৰ কাৰ্যৰ অন্ত পৰিব আৰু ইয়াৰ দ্বাৰা বিলুপ্ত সাধন কৰা হ'ব।
- অসম, নাগালেণ্ড, মেঘালয়, মণিপুৰ আৰু ত্ৰিপুৰাৰ কাৰণে এখন সাৰ্বজনীন সমূহীয়া উচ্চ ন্যায়ালয় থাকিব যাক গুৱাহাটী উচ্চ ন্যায়ালয় নামে জনা যাব (The High Court of Assam, Nagaland, Meghalaya, Manipur and Tripura)
- অসম, মণিপুৰ, মেঘালয় আৰু ত্ৰিপুৰা ৰাজ্যৰ ৰাজহৰ অনুদান (Grants-in-aid) আৰু আবকাৰী সম্পত্তিৰ কৰ আৰু আয় কৰৰ কেন্দ্ৰীয় কৰৰ এই প্ৰত্যেক ৰাজ্যৰ অংশ ৰাষ্ট্ৰপতিয়ে নিৰ্দেশনাৰ দ্বাৰা নিৰ্ধাৰণ কৰিব।
- বৰ্তি থকা আৰু নতুনকৈ গঠন হোৱা ৰাজ্যৰ ক্ষেত্ৰত কিছুমান নিৰ্দিষ্ট নিগমৰ লগত জড়িত চৰ্ত, সৰ্ব ভাৰতীয় সেৱা আৰু ইয়াৰ লগত জড়িত অন্যান্য সেৱা, নিয়ম/নীতি নিৰ্দ্ধাৰণত আইনী ক্ষমতা আদি ১৯৭১ ৰ আইনত অন্তৰ্ভুক্ত অন্যান্য চৰ্ত আছিল।

উত্তৰ-পূৰ্ব অঞ্চলৰ পুনসংগঠন আইন ১৯৭১ ৰ পাছত উত্থান সেৱা পৃথক ৰাজ্যসমূহে প্ৰধানকৈ পাৰ্বত্য অঞ্চলত বসবাস কৰা অগণন সৰু সৰু দল আৰু সম্প্ৰদায়ৰ তেওঁলোকৰ সংস্কৃতি পৰিচয় পৰম্পৰা আৰু মূল্য সুৰক্ষা দিবলৈ তেওঁলোকক নিজস্ব ধৰণেৰে বিকাশ লাভ কৰিবলৈ স্বায়ত্ব শাসন প্ৰদান কৰি তেওঁলোকৰ আৱেগক সন্তুষ্ট কৰিবলৈ সক্ষম হৈছিল। সৰু ৰাজ্যসমূহত জনজাতীয় সম্প্ৰদায়ৰ সমৰ্থনত সম্পদৰ ভালকৈ বিতৰণ নিশ্চিত কৰা হৈছিল আৰু শাসনৰ কাৰণে সুবিধাজনক কৰি তুলিছিল, যিহেতু ভৌগোলিকভাৱে সৰু ৰাজ্যসমূহ সময়ত শাসন কৰিবলৈ সহজ। যি কি নহওঁক, একে সময়তে, ভাষিক আৰু নৃগোষ্ঠীয় ধাৰাত বৰ্তমান সময়ত

ক্ষমতাৰ বেছিকৈ হস্তান্তৰৰ দাবীৰ প্ৰৱল ঢৌ উঠিছে, মাজে সময়ে কিছুমান ৰাজ্যত হিংসাত্মক সংঘাত সংঘটিত হৈছে। সেয়েহে এইটো নিশ্চিত কৰাটো দৰকাৰী যে উত্তৰ-পূৱৰ ৰাজ্যসমূহত বসবাস কৰা সকলো দল আৰু সম্প্ৰদায়ে তেওঁলোকৰ নিজৰ বিকাশ সুৰক্ষিত কৰাত সমান সুবিধা লাভ কৰে আৰু পুনৰ উত্তৰ-পূৱৰ ৰাজ্যসমূহৰ ৰাজনৈতিক ভাগ বটোৱাৰাৰ পৰা হাত সাৰিবলৈ আৰু শান্তি বৰ্ত্তাই ৰাখিবলৈ চৰকাৰ পৰিচালনাৰ প্ৰক্ৰিয়াত সংখ্যাগৰিষ্ঠ সম্প্ৰদায়ৰ লগতে সমানে অংশগ্ৰহণ কৰাটো নিশ্চিত কৰাটো দৰকাৰী।

অগ্ৰগতি নিৰীক্ষণ

প্ৰশ্ন ৫ ঃ ১৯৭১ চনৰ উত্তৰ পূৱ অঞ্চলৰ পুনৰ্গঠন আইনৰ যিকোনো দুটা ব্যৱস্থা উল্লেখ কৰক।

.....

.....

৯.৬ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

- ভাৰতৰ উত্তৰ পূৱ অঞ্চলে দেশৰ যিকোনো অংশৰ অঞ্চলৰ সৈতে মিল থকাৰ অবিহনে, হয় আংশিকভাৱে অথবা গোটেই অঞ্চলটোৱে ইয়াৰ বিদেশী ৰাষ্ট্ৰৰ সৈতে ভৌগোলিক প্ৰতিবেশী সামাজিক আৰু ৰাজনৈতিক ইতিহাস আৰু জনসংখ্যা গাঁথনিৰ বৈচিত্ৰ্যতা ভিন্নতাৰ ক্ষেত্ৰত এক নিজস্ব অতুলনীয় ছবি দাঙি ধৰে।
- যি কি নহওঁক, অসমীয়া ভাষি লোক, যি ব্ৰহ্মপুত্ৰ উপত্যকাৰ প্ৰধান মূল জনসংখ্যা গোট গঠিত আছিল, গোটেই অঞ্চলটোৱে কেন্দ্ৰ স্থল দখল কৰি আছিল।
- প্ৰাক-স্বাধীনতাৰ সময়ত অসমত বাঙালী ভাষি জাপি দিয়াৰ বিৰুদ্ধে অসমীয়া ভাষি মানুহে এক অবিৰত বাধা প্ৰদান কৰিছিল আৰু বেংগলী প্ৰভাৱৰ বিৰুদ্ধাচৰণ কৰিবলৈ অকপট চেষ্টা চলাইছিল। ই আছিল এটা কাৰক যি অসমীয়াৰ জাতীয় চেতনাৰ উত্থান আৰু ক্ৰমান্বয়ে আত্মীকৰণ তত্ত্বৰ উত্থান আৰু শেষত জনজাতীয় অঞ্চলৰ অন্তভুৰ্ক্তিৰে বৃহত্তৰ অসম গঠনৰ দিশে আগুৱাই নিছিল।
- বাস্তৱত, জনজাতীয় অঞ্চলসমূহে প্ৰকৃততে উজনি আৰু মধ্য অসম অঞ্চলৰ অসমীয়া মানুহৰ সৈতে পৰ্যায়ক্ৰমে একত্ৰীকৰণ প্ৰক্ৰিয়াত চামিল হৈছিল। কিন্তু এই আত্মীকৰণ প্ৰক্ৰিয়া থমকি ৰৈছিল, বিশেষকৈ স্বাধীনতাৰ পাছত যেতিয়া বেছিভাগ পাহাৰীয়া জনজাতীয় লোকে তেওঁলোকৰ স্বকীয় বৈশিষ্টতাপূৰ্ণ ভাষিক আৰু সাংস্কৃতিক পৰম্পৰাৰ ভিত্তিত তেওঁলোক পৃথক জনজাতীয় পৰিচিতি প্ৰতিপন্ন কৰিবলৈ আৰম্ভ কৰিছিল।
- ১৯৭২ চনৰ সময়ত গোটেই উত্তৰ-পূৱ অঞ্চলক অসম, মেঘালয়, নাগালেণ্ড, মণিপুৰ আৰু ত্ৰিপুৰা নামৰ পাঁচখন ৰাজ্যত ভাগ কৰা হৈছিল আৰু মিজোৰাম আৰু অৰুণাচল প্ৰদেশ নামৰ দুখন কেন্দ্ৰীয় শাসিত অঞ্চলত ভাগ কৰা হৈছিল। ১৯৮৭ চনত এই দুখনেও পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্যৰ মৰ্য্যদা পাইছিল।
- ভাৰতৰ যুক্তৰাষ্ট্ৰীয় পুনগঠনে ভাষা ভিত্তিক পৰিচয়ৰ এক সমস্যাৰ সৃষ্টি কৰিছিল। পাৰ্বত্য অঞ্চল সমূহৰ বিচ্ছিন্নতাবাদী প্ৰৱণতাৰ নাগালেণ্ডে এই যুগান্তকাৰী উদাহৰণ দাঙি ধৰিছিল।

- ১৯৪৭ চনত স্বাধীনতাৰ পাছত নাগা সকলৰ কাৰণে নাগালেণ্ডৰ প্ৰশ্নটো কিন্তু চাঞ্চল্যকৰ হৈ পৰিছিল। অঞ্চলটোত ৰাজনৈতিক পৰিস্থিতি উগ্ৰপন্থী দৃষ্টিকোণৰ সৈতে সংলগ্ন হৈছিল।
- যিকোনো ৰাজনৈতিক পৰিৱৰ্তনৰ বিৰুদ্ধে নগা সকলে কৰা প্ৰতিৰোধ সম্ভৱত ১৯২৮ চনলৈ ঘূৰি যাব পাৰি, যেতিয়া নগা ক্লাৱ(যি নগালকলৰ ৰাজনৈতিক মঞ্চ আছিল)ৰ পৰা নগা নেতাসকলৰ এক সৰু সভাই তেওঁলোকৰ পৃথক সাংস্কৃতিক পৰিচয়ৰ চাইমন আয়োগৰ ভ্ৰমণকাৰী সদস্যলৈ বাৰ্তা প্ৰেৰণ কৰিছিল আৰু আবেদন কৰিছিল যে চাইমন আয়োগে পৰিকল্পনা কৰা যিকোনো ৰাজনৈতিক সংস্কাৰৰ পৰা নগা সকলক বাহিৰত ৰাখিব লাগে।
- ১৯২৩ চনত ল'থা জনজাতিয় পৰিষদ গঠনৰ সৈতে নগা সকলৰ মাজত ৰাজনৈতিক সচেতনতা আৰম্ভ হৈছিল। ১৯২৮ চনত আও নগা সকলে একেধৰণৰ পৰিষদ গঠন কৰিছিল আৰু অন্যান্য নগা সকলেও ১৯৪০ চনৰ ভিতৰত জনজাতিয় পৰিষদ গঠন কৰিছিল।
- ভাৰতত বৃটিছ শাসনৰ শেষৰফালে, নাগা হিলচৰ উপায়ুক্ত চি. আৰ. প'চেই (C.R. Pawsey) ১৯৪৫ চনৰ নগা জাতীয় পৰিষদ গঠন কৰিছিল, নগাসকলক ঐক্যবদ্ধ কৰাৰ উদ্দেশ্যেৰে ১৯৪৫ চনত নগা পাহাৰীয়া পাৰ্বত্য জিলা জনজাতীয় পৰিষদ গঠন কৰিছিল, যি পাছত ১৯৪৬ চনত নগা জাতীয় পৰিষদলৈ সলনি পৰিৱৰ্তন হৈছিল।
- বৃটিছ সকলে অসম অধিকাৰ কৰাৰ আগতে আহোম ৰজা সকলে নগাসকলক তেওঁলোকৰ প্ৰজা (Subject)ৰ দৃষ্টিৰে চাইছিল, মণিপুৰৰ ৰজাইও নগা পাহাৰৰ কিছু অংশৰ ওপৰত নিয়ন্ত্ৰণ সাব্যস্ত কৰিছিল।
- ১৯ শ শতিকাৰ প্ৰথম ভাগত অসম অধিগ্ৰহণৰ লগে লগে গোটেই নগা পাহাৰ বৃটিছ ভাৰতৰ অংশ হৈ পৰিছিল বংগৰ লে. গৱৰ্ণৰ প্ৰশাসনৰ অধীনত ১৮৬৬ চনত চামাগুটিং (Samaguting) ত মুখ্য কাৰ্য্যালয়ৰ সৈতে নাগা পাহাৰীয়া জিলা গঠন হৈছিল যাক ১৮৭৪ চনত অসম ৰাজ্যলৈ হস্তান্তৰ কৰা হৈছিল।
- ১৮৭৬ চনত পাহাৰৰ মধ্যম স্থানত অৱস্থিত ৰখা (Wokha) লৈ জিলাৰ মুখ্য কাৰ্য্যালয় স্থানান্তৰ কৰা হৈছিল আৰু দুবছৰ পাছত ইয়াক কহিমালৈ স্থান সলনি কৰা হৈছিল আৰু ৰখা মহকুমাৰ সদৰ হিচাপে আছিল। ১৮৮৯ চনত মহকুমাৰ সদৰ কাৰ্য্যালয় মোককচুঙলৈ স্থান সলনি কৰা হৈছিল।
- এনেকৈ বৃটিছ প্ৰশাসনৰ অধীনত অসমৰ নগা পাহাৰীয়া জিলাৰ কহিমা(সদৰ) আৰু মোককচাঙ দুটা মহকুমা আছিল। ১৯৪৭ চনত ভাৰতৰ স্বাধীনতাৰ সময়ত এই ব্যৱস্থাপনা কেন্দ্ৰীয় চৰকাৰে উত্তৰাধিকাৰ স্বৰূপে লাভ কৰিছিল।
- ১৯৫০ চনৰ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ ভাৰতীয় সংবিধানে নগা পাহাৰীয়া জিলাৰ প্ৰশাসনিক ব্যৱস্থাৰ পৰিৱৰ্তন আনিছিল। সংবিধানৰ ষষ্ঠ অনুসূচীৰ (অংশ ক) অধীনত নগা পাহাৰীয়া জিলাক স্বায়ত্ব শাসিত জিলা হিচাপে গণ্য কৰা হৈছিল আৰু ইয়াৰ এখন স্বায়ত্ব শাসিত জিলা পৰিষদ থাকিব, যি বাস্তৱত ৰূপায়িত নহ'লে যিহেতু নগাসকল ষষ্ঠ অনুসূচীত প্ৰতি অসন্তুষ্ট হৈ পৰিছিল আৰু তেওঁলোকে, সেয়েহে, পৰিষদৰ নিৰ্বাচন বৰ্জন কৰিছিল।
- অৱশেষত জিলাখনৰ প্ৰশাসন, ষষ্ঠ অনুসূচীৰ পৰা ১৯ ৰ সামগ্ৰিক চৰ্তৰ পাহাৰীয়া জিলাৰ সংবিধানৰ পৰিণতিত ফলস্বৰূপে নগা পাহাৰৰ অৱশিষ্ট পাহাৰীয়া অঞ্চল যি নগা পাহাৰীয়া জিলাৰ বাহ্যিক সীমান্ত আৰু ভাৰত আৰু বাৰ্মা (ম্যানমাৰ) ৰ আন্তজাৰ্তিক সীমান্তৰ মাজত আছিল, ১৯৩৫ চনত

"ভাৰত চৰকাৰ আইন" বলবৎ হোৱাৰ আগলৈকে ১৯৩৭ চনলৈ শাসন বিহীন (Unadministered) অঞ্চল হিচাপে আছিল।

- ১৯৫০ চনৰ ২৬ জানুৱাৰীত ভাৰতৰ সংবিধান বলবৎ হোৱাৰ পাছত নগা জনজাতীয় অঞ্চলক ষষ্ঠ অনুসূচীৰ (অংশ-খ) অধীনলৈ নিয়া হয় আৰু ৰাষ্ট্ৰপতিৰ প্ৰতিনিধি স্বৰূপে অসমৰ ৰাজ্যপালে শাসন চলাব।
- ১৯৫৪ চনৰ উত্তৰ-পূৱ সীমান্ত অঞ্চলৰ (প্ৰশাসন) আইনে উত্তৰ পূৱ সীমান্ত এজেন্সীৰ সৃষ্টি কৰিছিল, যিয়ে নগা জনজাতীয় অঞ্চলক অন্তৰ্ভূক্ত কৰিছিল আৰু যাকটুৰেনচাঙ সীমান্ত মণ্ডল (Division) হিচাপে পুনৰ নামকৰণ কৰা হৈছিল।
- নগা জাতীয় পৰিষদ আৰু অসমৰ ৰাজ্যপাল আকবৰ হায়দৰীৰ মাজত কহিমাত ১৯৪৭ চনৰ জুনত চুক্তিবদ্ধ হোৱা ন দফীয়া বুজাবুজি এক সংঘাত পূৰ্ণ পৰিচালনা ব্যৱস্থা হৈ পৰিছিল। এই বুজাবুজিয়ে নগাসকলৰ ভাৰতৰ লগত ১০ বছৰৰ বাবে সহযোগিতাৰ নিৰ্ধাৰণ কৰিছিল, ইয়াৰ পাছত তেওঁলোকে নিজৰ ভাগ্য নিজে থি�ৰাং কৰিব।
- ১৯৫০ চনত ভাৰতৰ সংবিধান বলবৎ কৰাৰ পাছত হায়দৰী বুজাবুজিৰ চৰ্তবোৰ ষষ্ঠ অনুসূচীত সংযোজন কৰা হৈছিল কিন্তু নগা জাতীয় পৰিষদে ইয়াৰ অৱমাননা কৰিছিল আৰু এক গণ আন্দোলনৰ কাৰ্যসূচী আৰু মুক্ত বিদ্রোহত প্ৰবৃত্ত হৈছিল।
- ১৯৫৪ চনত টুৱেনচাঙত সশস্ত্ৰ বিদ্রোহৰ সূত্ৰপাত হৈছিল অতি সোনকালে আন দুখন জিলা কহিমা আৰু মোককচাঙক গ্ৰাস কৰি পেলাইছিল। প্ৰথমে আৰক্ষী, পাছত সামৰিক বাহিনীক বিদ্রোহ দমন কৰিবলৈ ব্যৱহাৰ কৰা হৈছিল।
- ১৯৫৭ চনত নগা নেতৃত্ব আৰু কেন্দ্ৰীয় চৰকাৰৰ মাজত এক চুক্তিত উপনীত হৈছিল আৰু অসম ৰাজ্যত নগা পাহাৰ নামৰ এক নতুন প্ৰশাসনিক গোট গঠন হৈছিল যাক নগা পাহাৰ টুৱেনচাঙ অঞ্চল - Naga Hills-Tuensang Area -NHTA (পূৰ্বৰ নগা পাহাৰ জিলা আৰু North East Frontier Agency- NEFA ৰ টুৱেনচাঙ সীমান্ত অঞ্চলেৰে গঠিত) হিচাপে জনা গৈছিল । NHTA কেন্দ্ৰীয় চৰকাৰে প্ৰত্যক্ষ ভাৱে শাসন কৰা এক কেন্দ্ৰীয় শাসিত অঞ্চল হৈ পৰিছিল কিন্তু এক বৃহৎ মাত্ৰাত স্বায়ত্বশাসনেৰে।
- যি কি নহঁওক, এইটো নগাসকলৰ কাৰণে গ্ৰহণযোগ্য নাছিল আৰু নগাসকল আৰু সুৰক্ষা বাহিনীৰ মাজত সংঘাত অব্যাহত আছিল ।
- প্ৰধানমন্ত্ৰী নেহেৰু আৰু নগা জনসাধাৰণৰ অভিবৰ্তন (Naga People's Convention) ৰ মাজত আলোচনা অনুষ্ঠিত হৈছিল আৰু ১৯৬০ চনৰ জুলাইত এক ১৬ দফীয়া চুক্তিত উপনীত হৈছিল যাৰ দ্বাৰা ভাৰত চৰকাৰে ভাৰত যুক্তৰাজ্যৰ ভিতৰত নাগালেণ্ডক এখন পূৰ্ণ পৰ্য্যায়ৰ ৰাজ্য হিচাপে স্বীকৃতি প্ৰদান কৰিছিল।
- চুক্তিখনৰ প্ৰথম চৰ্তটোৰ মতে এইটো ঘোষণা কৰা হৈছিল যে "১৯৫৭ চনৰ নগা পাহাৰ টুৱেনাচাঙ অঞ্চল আইনৰ অধীনত এতিয়ালৈকে জনাজাত নগা পাহাৰ টুৱেনচাঙ অঞ্চলৰ ভূখণ্ডই, ভাৰত যুক্তৰাজ্যৰ ভিতৰত এখন ৰাজ্য গঠন কৰিব আৰু এতিয়াৰ পৰা আগলৈ নাগালেণ্ড হিচাপে জনা যাব।"
- সেইমতে নাগালেণ্ড ৰাজ্যক ১৯৬৩ চনৰ ১ ডিচেম্বৰত ক'হিমাত এক আড়ম্বৰপূৰ্ণ অনুষ্ঠানত ৰাষ্ট্ৰপতিয়ে

উদ্ধোধন কৰিছিল।

- বৰ্তি থকা অসম ৰাজ্য আৰু ইয়াৰ লগত জড়িত বিষয়সমূহৰ পুনসংগঠন কৰি ১৯৭১ চনৰ ৩০ ডিচেম্বৰত উত্তৰ পূৰ অঞ্চলৰ পুনসংগঠন আইন, ১৯৭১ গৃহীত কৰা হৈছিল যি মণিপুৰ আৰু ত্রিপুৰা ৰাজ্য গঠনৰ আইনগত ব্যৱস্থা কৰিছিল আৰু মেঘালয় ৰাজ্য আৰু মিজোৰাম আৰু অৰুণাচল প্রদেশ কেন্দ্রীয় শাসিত অঞ্চলৰ আইনগত ব্যৱস্থা কৰিছিল।
- উত্তৰ-পূৰ অঞ্চলৰ পুনসংগঠন আইন ১৯৭১ ৰ পাছত উত্থান সেৱা পৃথক ৰাজ্যসমূহে প্রধানকৈ পার্বত্য অঞ্চলত বসবাস কৰা অগণন সৰু সৰু দল আৰু সম্প্রদায়ৰ তেওঁলোকৰ সংস্কৃতি পৰিচয় পৰম্পৰা আৰু মূল্য সুৰক্ষা দিবলৈ তেওঁলোকক নিজস্ব ধৰণেৰে বিকাশ লাভ কৰিবলৈ স্বায়ত্ব শাসন প্রদান কৰি তেওঁলোকৰ আৱেগক সন্তুষ্ট কৰিবলৈ সক্ষম হৈছিল।

২ ৯.৭ অধ্যায়টিৰ পৰা আমি কি শিকিলোঁ

1. Datta Ray , B. and Agrawal, S.P. *Reorganisation of North East India since 1947*. Concept Publishing Company, 1996.
2. Verma, Rajesh. *History of North East India*. Mittal Publications. 2103.

W ৯.৮ অগ্রগতিৰ খতিয়ান

১ নং প্রশ্নৰ উত্তৰ ঃ শুদ্ধ
২ নং প্রশ্নৰ উত্তৰ ঃ ১৯৮৭
৩ নং প্রশ্নৰ উত্তৰ ঃ চামাগুটিং
৪ নং প্রশ্নৰ উত্তৰ ঃ ষষ্ঠ
৫ নং প্রশ্নৰ উত্তৰ ঃ

ক) মেঘালয় ৰাজ্যৰ দুটা সংসদীয় সমষ্টি থাকিব যাক ছিলং সংসদীয় সমষ্টি আৰু তুৰা সংসদীয় সমষ্টি বুলি আখ্যা দিয়া হ'ব।

খ) অসম, মণিপুৰ, মেঘালয় আৰু ত্রিপুৰা ৰাজ্যৰ ৰাজহৰ অনুদান (Grants-in-aid) আৰু আবকাৰী সম্পত্তিৰ কৰ আৰু আয় কৰৰ কেন্দ্রীয় কৰৰ এই প্রত্যেক ৰাজ্যৰ অংশ ৰাষ্ট্রপতিয়ে নির্দেশনাৰ দ্বাৰা নির্ধাৰণ কৰিব।

M ৯.৯ আৰ্হি প্রশ্ন

ক) বস্তুধর্মী প্রশ্ন

প্রশ্ন ১ঃ বৃটিছ প্রশাসনৰ অধীনত থকা অসমৰ নগা পাহাৰ জিলাৰ মহকুমা কেইটাৰ নাম লিখক।

প্রশ্ন ২ঃ কোন চনত নাগালেণ্ড ৰাজ্য গঠন কৰা হৈছিল?

প্ৰশ্ন ৩ঃ কোনবোৰ অঞ্চল সামৰি নগা পাহাৰ- তুৱেনচাং অঞ্চল (NHTA) গঠন কৰা হৈছিল?

প্ৰশ্ন ৪ঃ ১৯৪৫ চনত নগা পাহাৰ জিলা জনজাতি পৰিষদ গঠন কৰা নাগা পাহাৰৰ উপায়ুক্তগৰাকীৰ নাম লিখক।

(খ) চুটি প্ৰশ্ন (প্ৰায় ১৫০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নগা পাহাৰত হোৱা সাংবিধানিক বিকাশ আৰু নাগালেণ্ড গঠনৰ বিষয়ে চমুকৈ লিখক।

প্ৰশ্ন ২ঃ নগা ৰাজনৈতিক পৰিচয়ৰ বাবে চলা সংগ্ৰামৰ বিষয়ে চমুকৈ লিখক।

(গ) ৰচনাধৰ্মী প্ৰশ্ন (প্ৰায় ৩০০-৫০০ শব্দৰ ভিতৰত উত্তৰ লিখক)

প্ৰশ্ন ১ঃ নাগালেণ্ড গঠনৰ প্ৰক্ৰিয়াটো চমুকৈ আলোচনা কৰক।

প্ৰশ্ন ২ঃ উত্তৰ পূৱ অঞ্চলৰ পুনৰ্গঠন আইন, ১৯৭১ ৰ যিকোনো সাতটা ব্যৱস্থা ব্যাখ্যা কৰক।

****